# অসম বিধান সভা

মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

সোমবাৰ, ২৪ মাৰ্চ, ২০২৫

গৃহ, (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰী ৰূপেশ গোৱালাক সময়ে সময়ে দায়িত্ব অৰ্পন কৰা বিভাগৰ কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয় সমূহৰ বাহিৰে) কৰ্মচাৰী, লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ সমূহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰলোচাক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ সাধাৰণ প্ৰশাসনৰ অন্তৰ্গত ভৱন সমূহ আৰু অন্যান্য বিষয় সমূহৰ বাহিৰে) লোক নিৰ্মাণ পথ সমূহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীকৃষ্ণেন্দু পালক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু অন্যান্য বিষয় সমূহৰ বাহিৰে) চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰী প্ৰশান্ত ফুকনক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু অন্যান্য বিষয় সমূহৰ বাহিৰে) প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন, মুখ্যমন্ত্ৰীৰ সচিবালয়, নিৰ্বাচন, বিধায়ন, ৰাজনৈতিক, ৰূপান্তৰ আৰু উন্নয়ন আৰু অন্য কোনো মন্ত্ৰীৰ অধীনত ন্যস্ত নকৰা বিভাগ, ক্ৰীড়া আৰু যুৱ কল্যাণ, সংখ্যালঘু কল্যাণ আৰু উন্নয়ন, লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ সমূহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ সাধাৰণ প্ৰশাসনৰ অন্তৰ্গত ভৱনসমূহ আৰু অন্যান্য বিষয় সমূহ) শক্তি, দক্ষতা নিয়োগ আৰু উদ্যমিতা, চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু অন্যান্য বিষয় সমূহ) পশুপালন আৰু পশুচিকিৎসা, মীন, লোক নিৰ্মাণ পথ সমূহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু অন্যান্য বিষয় সমূহ) শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী উন্নয়ন, গৃহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ কাৰাগাৰ, গৃহৰক্ষী আৰু সামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয় সমূহ)

প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০

*Subject :* **Fund for Constituencies after delimitation.**

Shri Debabrata Saikia :

* 221. Will the Minister of Transformation & Development Department be pleased to furnish :

(a) What are the Legislative Assembly Constituencies in Assam after the last delimitation in Assam? Please provide details on all the constituencies.

(b) Has the Assam Government started giving fund LAC wise for various schemes? If yes, whether the

fund for various department is released as per pre-delimitation or post-delimitation in Legislative Assembly Constituencies. Please state for various Government Departments like PWD, T & D, Finance, etc.

(c) Please provide list of fund released to LACs which have been merged with other adjacent constituencies, such as Amguri, West Guwahati, etc.

(d) Please provide list of fund released to New LACs like Amri, Sissiborgaon, Dimoria, Makum, etc. from the Transformation & Development Department, Public Works Department, etc.

(e) How is the MLA Fund issued to the Hon'ble MLAs of 126 LAC ? Please give names of the LACs.

(f) Since when the Presidential Ascent on Delimitation of APC and LAC in Assam are enforced ?

*বিষয় ঃ* **D/Voter সম্পৰ্কে**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

* ২২২। মাননীয় ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমানলৈকে অসম চৰকাৰে কিমান জন মানুহক D/Voter হিচাপে চিহ্নিত কৰিছে? বিত্তীয় বৰ্ষ অনুযায়ী নৱ গঠিত বিধান সভা সমষ্টি ভিত্তিত তথ্য দাঙি ধৰিব।

(খ) বৰ্তমানলৈ অসম চৰকাৰে কিমান জন মানুহক D/Voter ৰ পৰা মুক্ত কৰি ভাৰতীয় নাগৰিক হিচাপে চিহ্নিত কৰিছে? বিত্তীয় বৰ্ষ অনুযায়ী নৱ গঠিত বিধান সভা সমষ্টি ভিত্তিত তথ্য দাঙি ধৰিব।

(গ) সাধাৰণতে দেখা যায় কিছুমান D/Voter চিহ্নিত নাগৰিক ১৯৫১ চনৰ পৰা ১৯৭১ চনলৈ ভাৰতত বসবাস কৰি আছে। কিন্তু সেই D/Voter চিহ্নিত নাগৰিকৰ ১৯৫১ চনৰ পৰা ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগৰ প্ৰয়োজনীয় নথি পত্ৰ থকাৰ পাছতো তেওঁলোকক চৰকাৰে D/Voter বনাই ৰাখিছে আৰু তাৰে বহু সংখ্যক মানুহক আজিলৈকে Detention Camp ত ৰাখিছে। এই বিষয়ে চৰকাৰ অৱগত নে? (বিতংভাৱে জনাব)।

*বিষয় ঃ* **District Jail, Hailakandi.**

শ্ৰীজাকির হুসেন লস্কর ঃ

* ২২৩। মাননীয় গৃহ বিভাগীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাইবেন কি ঃ

(ক) হাইলাকান্দি জেলার হাইলাকান্দি শহরে অবস্থিত District Jail নারাইনপুরে স্থানান্তরিত করার জন্য বিগত ২০১২ সালে প্রশাসনিক অনুমোদন লাভ করেছে। বর্তমানে নারাইনপুরে জেলা কারাগারের নির্মাণ কাজ কতটুকু সম্পন্ন হয়েছে? এই নির্মাণ কাজ কবে নাগাদ সম্পন্ন হবে? বিস্তারিত তথ্য প্রদান করার জন্য অনুরোধ করছি।

(খ) নির্মাণ কাজ বিলম্ব হওয়ার কারন কি?

(গ) কবে নাগাদ এই জেলা কারাগার চালু করা হবে?

*বিষয় ঃ* **দলং আৰু মথাউৰি নিৰ্মাণ**

শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

* ২২৪। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত লোক নিৰ্মাণ বিভাগৰ অধীনত চৰকাৰে কিমানখন পকী দলঙৰ অনুমোদন দিছে? অনুমোদন পোৱা দলঙৰ সমষ্টিভিত্তিক তালিকা সদনত দাখিল কৰিব।

(খ) পুৰণি বিলাসীপাৰা (পশ্চিম) বৰ্তমানৰ গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত পিয়াজবাৰী খণ্ড (২) অঞ্চলৰ টিপকাই নদীৰ ওপৰত এখন বাঁহৰ দলঙৰ ওপৰেদি মানুহ অহা যোৱা কৰে বিভাগ জ্ঞাত নে? যদি জ্ঞাত, যাতায়ত ব্যৱস্থা সুচল কৰাৰ বাবে বিভাগে ব্যৱস্থা ল'বনে? যদি ব্যৱস্থা গ্ৰহণ কৰে কেতিয়া কৰিব সদনত উল্লেখ কৰিব।

(গ) ধুবুৰী জিলাৰ অন্তৰ্গত ৰাংগামাটি পাৰ্ট ২ৰ পৰা বানিয়ামাৰী পাৰ্ট ৭.৮ ৰ সংযোগী পথত এখন RCC Culvert ৰ অতি প্ৰয়োজন। এই বিষয়ে বিভাগ অৱগত নে? যদি অৱগত, তেনেহ'লে বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাব।

(ঘ) লোক নিৰ্মাণ বিভাগে এতিয়া মথাউৰি নিৰ্মাণৰ কোনো আঁচনি লৈছেনে? গোলকগঞ্জ সমষ্টিৰ অন্তৰ্গত ভোলাৰখাছৰ পৰা কাঠালতলি আৰু পাগলাটৰ পৰা চৰাইখোলালৈ দুটা ভগ্ন মথাউৰি আছে, মথাউৰি দুটা পকী ৰাস্তালৈ উন্নীত কৰাৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিব নে? সদনত জনাব।

*বিষয় ঃ* **লোক নিৰ্মাণ বিভাগৰ পথ আঁচনিৰ সম্পৰ্কত।**

শ্ৰীমতী শিৱামণি বৰা ঃ

* ২২৫। মাননীয় লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বটদ্ৰৱা সমষ্টিত ২০২১-২০২২ চনৰ পৰা ২০২৪ চনৰ ৩১ ডিচেম্বৰলৈ বিভাগে মুঠ কিমানটা পথ নিৰ্মাণ, মেৰামতিৰ বাবে অনুমোদন দিছিল? পথৰ নাম, শিতান, প্ৰাক্কলন মূল্য, কামৰ অগ্ৰগতিৰ তথ্য দাখিল কৰিব।

(খ) বটদ্ৰৱা সমষ্টিত অন্য বহু সমষ্টিতকৈ লোকনিৰ্মাণ বিভাগৰ পথ কমকৈ অনুমোদন হোৱাৰ পৰিপ্ৰেক্ষিতত তলৰ আঁচনি সমূহ অনুমোদন কৰা হ'বনে?

(i) শিঙিয়া হাইডুবিৰ পৰা বাটামাৰী বিলপাৰলৈ।

(ii) কটহগুৰি ৰৌমাৰী ৰাস্তাৰ পৰা গৰলীয়া কটহগুৰি ৰাস্তালৈ।

(iii) শালনাবড়ী বৰুৱাআটী ৰাস্তাৰ পৰা ধূপগুৰি কছাৰী গাঁৱলৈ।

(iv) নগাঁও ধিং ৰাস্তাৰ পৰা ঢাকাইবস্তীৰ বিদ্যালয়লৈ।

(v) জামতল বালিসত্ৰ ৰাস্তাৰ পৰা ৰামপুৰপাম অৰাসুতিলৈ।

(গ) মুখ্যমন্ত্ৰীৰ উন্নত পকী পথ আঁচনিত দুবছৰৰ আগতে আবণ্টন দিয়া ধিং ডুমডুমীয়া আৰু জাঁজৰি চাবুকধৰা ৰাস্তা দুটা অতি নিম্নমানৰ কাম কৰা সম্পৰ্কে স্থানীয় ৰাইজে আপত্তি দৰ্শাই আহিছে। সেয়ে ৰাস্তা দুটা

প্ৰাক্কলন মতে নিৰ্মাণ হৈছে নে নাই মুখ্য অভিযন্তাৰ কাৰ্যালয়ৰ পৰা তদন্ত কৰা হ'বনে?

*বিষয়ঃ* **CCE বাচনিৰ বাবে**

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ

* ২২৬। মাননীয় কৰ্মচাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম লোকসেৱা আয়োগে অসামৰিক সেৱাৰ বাবে ২০১৬ চনৰ পৰা ২০২৫ ৰ বৰ্তমানলৈকে কিমানবাৰ বাচনি পৰীক্ষা (CCE) অনুষ্ঠিত কৰিছে? বছৰ ভিত্তিত তথ্য দিব।

(খ) প্ৰতিটো CCE বাচনি পৰীক্ষাত বছৰ ভিত্তিত বিভাগ অনুযায়ী প্ৰাৰ্থী বাচনিৰ তালিকা আৰু পৰিসংখ্যা দাখিল কৰিব।

(গ) CCE বাচনি পৰীক্ষাত SC, ST(P), ST(H), OBC/MOBC আদিৰ বাবে সংৰক্ষণ অনুযায়ী প্ৰাৰ্থীৰ বাচনি কৰা হৈছিল নেকি? বছৰ ভিত্তিত তালিকা দিব।

(ঘ) ২০১৬ চনৰ পৰা বাচনি কৰা সকলক নিযুক্তি দিয়া হ'লনে? কোনোবা বাচনি লাভ কৰা প্ৰাৰ্থীক নিযুক্তি নিদিয়াকৈ আছে নেকি? যদি আছে, কাৰণ সহ নিযুক্তি বঞ্চিত প্ৰাৰ্থীৰ নাম জনাব।

*বিষয়ঃ* **চাহ জনজাতি আৰু আদিবাসীসকলৰ আৰ্থ-সামাজিক উন্নয়ন।**

শ্ৰীঅখিল গগৈ ঃ

* ২২৭। মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১-২২ বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষলৈ অসমৰ চাহ জনজাতি আৰু আদিবাসী লোকসকলৰ উন্নয়নৰ বাবে বিশেষভাৱে লোৱা আঁচনিসমূহৰ নাম, আঁচনিসমূহৰ কাৰ্য্যকৰীকৰণৰ পৰিমাণ (শতাংশ), আঁচনিসমূহৰ দ্বাৰা উপকৃত হোৱা বাগিচাৰ নাম অথবা হিতাধিকাৰীৰ সংখ্যা বাগিচা অনুসৰি জনাব।

(খ) এই সময়খিনিত কিমান বাগিচাৰ লাইনত ৰাস্তা নিৰ্মাণ কৰা হ'ল, জিলা অনুসৰি বাগিচা আৰু লাইনৰ নাম উল্লেখ কৰিব। কামৰ অগ্ৰগতিৰ খতিয়ান (শতাংশ) জনাব।

(গ) কিমান চাহ বাগিচাত কিমানখন বিদ্যালয় স্থাপন কৰা হ'ল? জিলা অনুসৰি তথ্য দিব। বিদ্যালয়সমূহত বৰ্তমানে থকা ছাত্ৰ-ছাত্ৰীৰ পৰিমাণ, শিক্ষক আৰু কৰ্মচাৰীৰ পৰিমাণ অৱগত কৰিব। ইয়াৰে কিমানজন শিক্ষক-কৰ্মচাৰী চাহ শ্ৰমিক, আদিবাসী সম্প্ৰদায়ৰ?

(ঘ) চাহ শ্ৰমিকৰ মজুৰি ৩৫১ টকা আৰু সকলো শ্ৰমিক পৰিয়ালৰ মাটি প্ৰদান কেতিয়া কৰা হ'ব? এই সময়খিনিত এতিয়ালৈকে কিমান চাহ শ্ৰমিক, আদিবাসী পৰিয়ালে মাটিৰ পট্টা পালে বাগিচা বা গাঁও অনুসৰি জনাব।

*বিষয়ঃ* **অগ্নি আৰু আপদকালীন সেৱা**

শ্ৰীদিগন্ত বৰ্মন ঃ

* ২২৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ গৃহ বিভাগৰ চিঠি নং HMB/87/1994/282 তাৰিখ ২০-০৫-২০১৫ মৰ্মে বৰক্ষেত্ৰী সমষ্টিৰ বৰভাগত এটা অগ্নি আৰু আপদকালীন সেৱা আস্থান মঞ্জুৰ হোৱা সম্পৰ্কে চৰকাৰ জ্ঞাতনে?

(খ) ৰাজহ বিভাগে বৰভাগত অগ্নি আৰু আপদকালীন সেৱা আস্থানৰ নামত ভূমি আবণ্টন দিয়াৰ পাছতো কিয় এতিয়াও আন্তঃগাঁথনিৰ কাম আৰম্ভ কৰা নাই?

(গ) আন্তঃগাঁথনিৰ কাম সম্পূৰ্ণ নোহোৱা পৰ্য্যন্ত কমাৰকুছি আৰক্ষী চকীৰ চৌহদতে এখন অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

(ঘ) অসম বিধান সভাৰ ২০-১২-২০২১ তাৰিখৰ তৰাবিহীন প্ৰশ্ন নং ২৩ আৰু ২৬-০২-২০২৪ তাৰিখৰ তৰাবিহীন প্ৰশ্নৰ উত্তৰ অনুসৰি উক্ত আস্থানৰ বাবে প্ৰয়োজনীয় পদ সৃষ্টি কৰি আন্তঃগাঁথনি নিৰ্মাণ ব্যৱস্থা ল'বনে?

*বিষয়ঃ* **ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ**

শ্ৰীছামছুল হুদা ঃ

* ২২৯। মাননীয় লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত অসমত কিমানটা ৰাজ্যিক ঘাইপথ, ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীত কৰা হ'ল? এই ৰাষ্ট্ৰীয় ঘাইপথ সমূহ নিৰ্মাণৰ কাৰণে কিমান টকা অনুদান দিছে?

(খ) নতুন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰোতে, পথৰ বহল কিমান ফুট ধৰা (২ লেন যুক্ত)? পথ বহল কৰোতে যিবিলাক পৰিয়ালৰ গছ-গছনি, সীমা দেৱাল, ঘৰ, মছজিদ, মন্দিৰ, নামঘৰ, আন ৰাজহুৱা অনুষ্ঠানৰ ক্ষতি হয়, সেইবিলাকৰ ক্ষতিপূৰণ দিয়া হয় নে?

(গ) যদি দিয়া হয়, তেন্তে গছ-গছনি, ঘৰ-দুৱাৰ ইত্যাদিৰ পৰিবৰ্তে চৰকাৰে দিয়া মূল্যৰ পৰিমাণ সহ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*Subject :* **Different Boards/ Committees under WMD and Waqf properties in Assam.**

Shri Abdur Rashid Mandal :

* 230. Will the Minister of Welfare of Minorities and Development Department be pleased to state :

(a) Whether there is Govt. notified committee for (a) Joint State Haj Committee (b) Assam Board of Waqfs (c) State Commission for Minorities (d) Assam Linguistic Minority Development Board, (e) Assam Minority Development Board and (f) Assam Minority Development and Finance Corporation at present ? If yes, please furnish in details the committees with copies of Govt. notifications. If not, when and since when ?

(b) Please furnish the rules in details about leasing or renting Waqf property to anyone in the state.

(c) Please furnish the list of Waqf properties given to someone on lease during the period from 2016-17 till date along with relevant NIT and comparative statement of bidders for allotment of

Waqf properties on lease and minutes of Assam Board of Waqfs meeting in details.

(d) Please furnish in details about appointment of officials and staff of Assam Board of Waqf during the period from 2016-17 till date along with copies of advertisements, details of interview Board, comparative statement of candidates furnishing marks obtained both in written test and viva test.

*বিষয় ঃ* **আঁচনি সন্দৰ্ভত**

শ্ৰীকৃষ্ণকমল তাঁতী ঃ

* ২৩১। माननीय চাহ-জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাহ-জনজাতি আৰু আদিবাসী লোক সকলৰ কল্যাণৰ বাবে কি কি আঁচনি হাতত লোৱা হৈছে? আঁচনি সমূহ বিস্তাৰিত ভাৱে জনাব।

(খ) ৰঙাপাৰাৰ সমষ্টিত কিমান যুৱক-যুৱতীয়ে শ্বহীদ দয়াল দাস পাণিকাৰ আঁচনিৰ দ্বাৰা লাভান্বিত হৈছে? তথ্য সহকাৰে জনাব।

(গ) চাহ-বাগিচাৰ খেলুৱৈ সকলক উৎসাহিত কৰিবৰ বাবে ২টা ফুটবল একাডেমি আৰু এটা আৰ্চাৰী একাডেমী নিৰ্মাণ কৰা হৈছিল, এই নিৰ্মাণ কাৰ্য্য কি পৰ্য্যায়ত আছে আৰু কেতিয়া সম্পূৰ্ণ হ'ব? তথ্য সহকাৰে জনাব।

(ঘ) চাহ-বাগিচাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নিৰ্মাণ কৰা ১৮ টা প্ৰশিক্ষণ কেন্দ্ৰ কি পৰ্য্যায়ত আছে আৰু ইয়াত প্ৰশিক্ষণ কেতিয়াৰ পৰা আৰম্ভ হ'ব?

*বিষয় ঃ* **ভারত মালা ও আসাম মালার কার্য সম্পর্কিত।**

শ্ৰীকমলাক্ষ দে পুরকায়স্থ ঃ

* ২৩২। মাননীয় Public Works Department এর মন্ত্রী মহাশয় অনুগ্রহ করিয়া জানাইবেন কি ঃ

(ক) ভারত মালা ও আসাম মালার অধিনে এই স্থানে বিকল্প সেতুর নির্মাণ কাজ কবে নাগাদ আরম্ভ হইবে? এবং কবে নাগাদ চলাচলের উপযোগী হইবে, তার বিশদ তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(খ) কাঠিগড়া সমষ্টিতে ভারত মালা ও আসাম মালার অধিনে কি কি কাজ বর্তমানে হইতেছে এবং কত শতাংশ কাজ শেষ হইয়াছে? পূর্ণ কাজ কবে শেষ হইবে এবং তাহা কোথা হইতে কোথা পর্যন্ত হইবে তাহার বিস্তারিত তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(গ) ভারত মালা ও আসাম মালার অধীনে রাস্তাঘাট নির্মাণেৰ জন্য যেসব জমি অধিগ্রহণ করা হইয়াছে তার কমপেনসেশন বাবদ প্রাপ্য, আসল জমি মালিকদের প্রাপ্য মত দেওয়া হইয়াছে কি? তার বিস্তারিত তথ্য সদনে প্রদানের অনুরোধ জানাই।

*বিষয় ঃ* **হজ যাত্ৰী সম্পৰ্কে**

ডাঃ আচিফ মহম্মদ নাজাৰ ঃ

* ২৩৩। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩ বৰ্ষত হজলৈ যোৱা হজযাত্ৰী সকলৰ পৰা ভাড়াৰ বাবদ কিমান ধন আদায় কৰা হৈছিল?

(খ) হজযাত্ৰী সকলক বিশেষ বিমানেৰে হজলৈ অনা নিয়া কৰাৰ প্ৰতিশ্ৰুতি তথা চুক্তি কৰি ভাড়া আদায় কৰা হৈছিল নেকি?

(গ) বিশেষ বিমানৰ বাবে ভাড়া আদায় কৰাৰ পিছত বিশেষ বিমানেৰে যদি হজযাত্ৰী সকলক নিয়া নহ'ল তেন্তে অতিৰিক্ত যি ভাড়া আদায় কৰা হৈছিল তাৰ পৰিমাণ কিমান? সেই ভাড়া ঘূৰাই দিয়া হৈছিল নে?

(ঘ) কিমান হজযাত্ৰীয়ে অতিৰিক্ত ভাড়া ওভতাই পাবলৈ বাকী আছে?

*বিষয়ঃ* **ড্ৰাগছ বন্ধ কৰা**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

* ২৩৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ড্ৰাগছ, মদ ভাং আদিৰ লগত জড়িত অপৰাধৰ ঘটনা যোৱা ২০২৪ বছৰটোত অসমত কিমান সংঘটিত হৈছিল? এনে ঘটনাত মুঠ কিমান লোকৰ মৃত্যু ঘটিছিল?

(খ) ড্ৰাগছ সৰবৰাহ বন্ধ কৰিবলৈ চৰকাৰে কি কি কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে? ড্ৰাগছৰ প্ৰকোপ হ্ৰাস কৰাৰ ক্ষেত্ৰত চৰকাৰ কিমান দূৰ সফলতা লাভ কৰিছে?

(গ) যোৱা বছৰ চৰকাৰে সুদ খোৱাৰ বিৰুদ্ধে আৰম্ভ কৰা অভিযান কিমান সফল হৈছিল? অসমত অবৈধ সুদৰ লেনদেন বন্ধ হৈছেনে?

*বিষয়ঃ* **মাটিৰ অধিগ্ৰহণৰ বাবদ ক্ষতিপূৰণ**

শ্ৰীবিদ্যা সিং ইংলেং ঃ

* ২৩৫। মাননীয় লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিফু বিধান সভা সমষ্টিৰ মাজেৰে নিৰ্মাণ কৰি থকা চাৰি লেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ নামত এতিয়ালৈকে কিমান সংখ্যক পৰিয়ালৰ পৰা যাৱতীয় মাটি অধিগ্ৰহণ কৰা হ'ল?

(খ) মাটি অধিগ্ৰহণ কৰা এই পৰিয়াল সমূহে চৰকাৰৰ পৰা ক্ষতিপূৰণৰ নামত মুঠ কিমান টকা পাইছে?

(গ) প্ৰতিটো পৰিয়ালে ক্ষতিপূৰণৰ নামত কিমানকৈ টকা পাইছে বা পাবলৈ বাকী আছে? পৰিয়ালৰ নাম আৰু ঠিকনাসহ বিতংকৈ তথ্য দাখিল কৰিব।

*বিষয়ঃ* **কেন্দ্ৰীয় আৰু বিশেষ কাৰাগাৰ স্থানান্তৰ সম্পৰ্কে।**

শ্ৰীৰূপক শৰ্মা ঃ

* ২৩৬। মাননীয় গৃহ (কাৰাগাৰ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও চহৰৰ মাজমজিয়াত থকা কেন্দ্ৰীয় আৰু বিশেষ কাৰাগাৰখন নগাঁও চহৰৰ পৰা স্থানান্তৰ কৰাৰ চৰকাৰে কিবা সিদ্ধান্ত লৈছে নেকি?

(খ) যদি স্থানান্তৰ হয়, ক'লৈ স্থানান্তৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে? (বিতং ভাৱে জনাব)।

(গ) কেতিয়াৰ পৰা ইয়াৰ কাম আৰম্ভ হ'ব? (বিতং ভাৱে জনাব)।

*বিষয়ঃ* **মাজুলী লাচন চাপৰিত চৰকাৰে মেগা চলাৰ প্ৰকল্প নিৰ্মাণ আৰু মাজুলী আঁহতগুৰি পঞ্চায়তত বিদ্যুৎ সংযোগৰ সম্পৰ্কে।**

শ্ৰীভূবম গাম ঃ

* ২৩৭। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাজুলী লাচন চাপৰিত চৰকাৰে

মেগা চলাৰ প্ৰকল্প নিৰ্মাণ কৰিম বুলি বিগত ২০২১ বৰ্ষত ঘোষণা কৰিছিল। এই প্ৰকল্পৰ কামৰ বৰ্তমান অগ্ৰগতি কোন পৰ্য্যায়ত আছে?

(খ) মাজুলী আহঁতগুৰি পঞ্চায়তত বৰ্তমানলৈকে বিদ্যুতৰ কোনো ব্যৱস্থা নাই। এই সম্পৰ্কে বিভাগে বৰ্তমান কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

*বিষয় ঃ* **মীন বজাৰ স্থাপন**

ড° অমিয় কুমাৰ ভূঞা ঃ

* ২৩৮। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মীন উন্নয়ন, পুখুৰী উন্নয়ন, মাছৰ পোনা উৎপাদন কৰাৰ বাবে কি কি আঁচনি ক'ত ক'ত ৰূপায়ণ কৰি থকা হৈছে? (সদনত জনাব)।

(খ) ৰাজ্যখনৰ মাছৰ চাহিদা পূৰণ কৰা ক্ষেত্ৰত স্থানীয়ভাৱে কি কি ধৰণৰ ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা হৈছে? (সদনত জনাব)।

(গ) স্থানীয় মীন বজাৰ স্থাপন আৰু উন্নয়নৰ বাবে কি কি ধৰণৰ আঁচনি ক'ত ৰূপায়ণ কৰি থকা হৈছে?

বিহপুৰীয়া সমষ্টিত তেনে ধৰণৰ বিজ্ঞানসন্মত উন্নত মানৰ মীন বজাৰ স্থাপন কৰিব পাৰি নে? (সদনত জনাব)।

(ঘ) স্থানীয় মীন পালকসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি মাছ ৰখা শীতলীকৃত গৃহ আৰু পৰিবহনৰ বাবে পালকসকলক ৰাজসাহায্যযুক্ত পৰিবহন ব্যয় দিয়া আঁচনি ৰূপায়ণ কৰা হৈছে নেকি? (সদনত জনাব)।

(ঙ) স্থানীয় বজাৰত স্থানীয় মাছৰ প্ৰতি ৰাইজৰ আকৰ্ষণ বৃদ্ধিৰ বাবে কি ধৰণৰ কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে? (সদনত জনাব)।

*Subject :* **Electrification in Baghbar LAC.**

Shri Sherman Ali Ahmed :

* 239. Will the Minister of Power Department be pleased to state :

(a) What is the present status of 33/11 KVA Sub-station at Moinbari and Chaysimana proposed by CEO, Barpeta vide no. CEO/BPEC/APDCL/SS/197 dated 04-02-2023? Please furnish copy of the said letter and DPRs submitted ?

(b) What are the parameters sanctioned for Baghbar LAC under RDSS ab initio ? Please furnish year and parameter-wise details.

(c) Is it true that quality of works under RDSS is poor which was communicated to CEO, Barpeta over phone ? What remedial measures are taken ?

(d) In view of reply to unstarred QN186 (e) dated 16-09-2022, whether DPR under RDSS for electrification of left-out households are sanctioned? If yes, please furnish village and parameter-wise details.

(e) Whether tender is floated? If yes, please furnish status of allotment.

(f) What is present status of on-grid electrification of Char areas of Barpeta district? Please furnish details.

(g) What is present status of implementation of 33/11 KVA sub-stations at Milijuli and Baghmara Char? Please furnish details.

*বিষয় ঃ* **হোম গাৰ্ড**

শ্ৰীআব্দুল বাতিন খন্দকাৰ ঃ

* ২৪০। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমান সংখ্যক হোম গাৰ্ড জোৱান আছে? জিলা ভিত্তিক তথ্য দিব।

(খ) হোম গাৰ্ড সকলক কি নীতি অৱলম্বন কৰি কৰ্মত নিয়োগ কৰা হয়?

(গ) হোম গাৰ্ড সকলৰ চাকৰি নিয়মীয়া কৰণৰ কোনো পৰিকল্পনা আছে নেকি?

---

A.G.P. (Mini) LAQ - 40 /2025-550-20-03-2025